# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। লোকসভাত বিত্ত বিধেয়ক ২০২৫ আজি গৃহীত হয়।

২। আমাৰ দেশত পথ দুৰ্ঘটনাৰ ফলত মৃত্যু হোৱা লোকৰ ৬০ শতাংশৰো অধিক ১৮ ৰ পৰা ৪৫ বছৰ বয়সৰ বুলি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে মন্তব্য কৰিছে।

৩। ভাৰতবৰ্ষক ২০৪৭ ৰ পূৰ্বে আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত সংখ্যালঘু সম্প্ৰদায়সমূহৰ অৱদান গুৰুত্বপূৰ্ণ হ'ব বুলি সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰকাশ কৰিছে।

৪। ভাৰত বিশ্বৰ সৰ্বাধিক দুগ্ধ উৎপাদনকাৰী আৰু পৰৱৰ্তী ৫ বছৰত দেশত দুগ্ধ উৎপাদন বৰ্তমানৰ ২৩ কোটি ৯০ লাখ মেট্ৰিকটনৰ পৰা ৩০ কোটি মেট্ৰিকটনলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ পাঞ্জাৱ কিংছৰ মুখামুখী হ'ব।

০০০০০

লোকসভাত বিত্ত বিধেয়ক ২০২৫ আজি গৃহীত হয়। এই বিধেয়কখনৰ জৰিয়তে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় প্ৰস্তাৱসমূহক ফলপ্ৰসু কৰি তুলিব বিচৰা হৈছে।

বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে কৰদাতাসকলৰ সন্মানাৰ্থে আৰু ব্যৱসায় সুচল কৰি তোলাৰ উদ্দেশ্যে বিধেয়খনত অভূতপূৰ্ব কৰ ৰেহাই দিয়া হৈছে। তেওঁ কয় যে নতুন কৰ ব্যৱস্থাৰ অধীনত ১২ লাখ টকা পৰ্যন্ত আয়ৰ ক্ষেত্ৰত কোনো ধৰণৰ কৰ প্ৰযোজ্য নহয় সংসদৰ পৰৱৰ্তী বৰ্ষাকালীন অধিবেশনত নতুন আয়কৰ বিধেয়কক লৈ আলোচনা হব বুলি শ্ৰীমতী সীতাৰমনে ঘোষণা কৰে।

মন্ত্ৰীগৰাকীয়ে কয় যে, দেশৰ জনসাধাৰণৰ আশা আকাংক্ষা আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্য অনুযায়ী কেন্দ্ৰীয় চৰকাৰে বিত্ত বিধেয়কৰ জৰিয়তে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ কয় যে শুল্ক পৰিকাথামো যুক্তিসংগত কৰি তোলাই সীমা শুল্ক বিষয়ক বিধেয়কখনৰ মূল উদ্দেশ্য। ইয়াৰ ফলত নিৰ্মাণৰ সৈতে জড়িত গোটসমূহ উপকৃত হ'ব আৰু ৰপ্তানি বৃদ্ধি পাব বুলি শ্ৰীমতী সীতাৰমনে উল্লেখ কৰে। তেওঁ কয়, যে ২০২৫-২৬ বৰ্ষৰ বাজেটৰ জৰিয়তে কেচা সামগ্ৰীৰ ওপৰত আৰোপিত শুল্ক হ্ৰাস কৰি ঘৰুৱা উৎপাদন আৰু ৰপ্তানি বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। বিত্ত বিধেয়কত ঔদ্যোগিক সামগ্ৰীৰ বাবে সীমা শুল্কৰ ৭ প্ৰকাৰৰ হাৰ প্ৰত্যাহাৰৰ প্ৰস্তাৱ দিয়া হৈছে বুলি শ্ৰীমতী সীতাৰমনে জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে বৈদ্যুতিক বাহনৰ বাবে বেটাৰী উৎপাদনৰ প্ৰসাৰৰ উদ্দেশ্যে ৩৫ বিধ সামগ্ৰী কৰ ৰেহাইৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। ইয়াৰ উপৰি মোবাইল ফোনৰ বেটাৰী নিৰ্মাণৰ বাবে ২৮ বিধ অতিৰিক্ত মূলধনী সামগ্ৰীক কৰ ৰেহাইৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে।

ইয়াৰ পূৰ্বে আলোচনাত ভাগ লৈ কংগ্ৰেছৰ এছ্ জোথিমণিয়ে দেশত কৰ্মসংস্থাপনহীনতাৰ বিষয় উত্থাপন কৰি চৰকাৰে সাধাৰণ ৰাইজক সকাহ দিয়াৰ বাবে একোৱেই কৰা নাই বুলি অভিযোগ তোলে। তেওঁ কয় যে ১২ লাখ টকা পৰ্যন্ত কৰ ৰেহাই প্ৰদানৰ সিদ্ধান্তৰ পৰা মাত্ৰ এক কোটি লোকেহে লাভান্বিত হ'ব। বিজেপিৰ জগদম্বিকা পালে কয় যে ভাৰতবৰ্ষক বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাৰ দেশৰূপে পৰিগণিত হৈছে। ইয়াৰ আগেয়ে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি এম জি এনৰেগা পুঁজিৰ ধন মোকলাই নিদিয়াৰ বিষয় লৈ লোকসভাত কেইবাগৰাকী সাংসদে প্ৰতিবাদ সাব্যস্ত কৰে আৰু সংসদৰ কাম-কাজো ব্যাহত হয়।

০০০০০

আমাৰ দেশত পথ দুৰ্ঘটনাৰ ফলত মৃত্যু হোৱা লোকৰ ৬০ শতাংশৰো অধিক ১৮ ৰ পৰা ৪৫ বছৰ বয়সৰ বুলি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে মন্তব্য কৰিছে। আজি নতুন দিল্লীত আমেৰিকান চেম্বাৰ অৱ কমাৰ্চৰ **পথ সুৰক্ষাৰ বাবে - আমচামৰ প্ৰযুক্তি হস্তক্ষেপ -আমেৰিকা-ভাৰত অংশীদাৰিত্ব** শীৰ্ষক অনুষ্ঠানত ভাষণ দি শ্ৰীগাডকাৰীয়ে এইদৰে প্ৰকাশ কৰে। পথ দুৰ্ঘটনাৰ ফলত দেশে মুঠ ঘৰুৱা উৎপাদনত ৩ শতাংশ লোকচানৰ সন্মুখীন হোৱা বুলিও মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে। শ্ৰীগাডকাৰীয়ে পথ দুৰ্ঘটনা সমস্যাৰ সমাধান উলিওৱাৰ পূৰ্বে তাৰ কাৰণসমূহৰ যথোচিত পৰ্যালোচনা কৰাৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে চৰকাৰৰ দুৰ্গতজনৰ সহায়কাৰী আঁচনিৰ বিষয়ে উল্লেখ কৰি কয় যে এই আঁচনিৰ অধীনত দুৰ্ঘটনাগ্ৰস্ত ব্যক্তিলৈ সহায়ৰ হাত আগবঢ়োৱা লোকসকলক নগদ ২৫ হাজাৰ টকাৰে পুৰস্কৃত কৰা হয়। মন্ত্ৰীগৰাকীয়ে লগতে বিদ্যালয়সমূহক তেওঁলোকৰ পাঠ্যক্ৰমত পথ সুৰক্ষা, শিক্ষা অন্তৰ্ভুক্ত কৰিবলৈও আহ্বান জনায়।

০০০০০

ভাৰতবৰ্ষক ২০৪৭ ৰ পূৰ্বে আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত সংখ্যালঘু সম্প্ৰদায়সমূহৰ অৱদান গুৰুত্বপূৰ্ণ হ'ব। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আজি নতুন দিল্লীত আয়োজিত ৰাজ্যিক সংখ্যালঘু সন্মিলনত ভাষণ দি এইদৰে প্ৰকাশ কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলক শিক্ষা আৰু দক্ষতাৰ বিকাশত অগ্ৰাধিকাৰ প্ৰদানৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে চৰকাৰে ছটা অধিসূচীত সম্প্ৰদায়, মুছলমান, খ্ৰীষ্টিয়ান, বৌদ্ধ, জৈন, শিখ আৰু পাৰ্চিসকলৰ কল্যানৰ বাবে সুকীয়া আঁচনি ৰূপায়ন কৰি আছে। শ্ৰীৰিজিজুৱে লগতে সংশ্লিষ্ট পক্ষসমূহক এই আঁচনিসমূহৰ ৰূপায়নৰ বাবে সম্ভাব্য বিত্তীয় সাহায্য প্ৰদান কৰাৰ আশ্বাস প্ৰদান কৰে। সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জৰ্জ কুৰিয়ানে আজি পুৱাৰ ভাগত এই সন্মিলন মুকলি কৰে। এই সন্মিলনত ঘাইকৈ শিক্ষা অন্তৰ্ভুক্তি আৰু সংখ্যালঘু সম্প্ৰদায়সমূহৰ সৱলীকৰণত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

লোকসভাত আজি বিবেচনা আৰু গ্ৰহণৰ বাবে বইলাৰ অৰ্থাৎ বাষ্পিকৰণ পাত্ৰ বিধেয়ক ২০২৪ উত্থাপন কৰা হয়। এই বিধেয়কখনৰ জৰিয়তে বইলাৰ যন্ত্ৰসমূহৰ নিয়ন্ত্ৰণ, বইলাৰ যন্ত্ৰৰ বিস্ফোৰণৰ পৰা ধন-জনৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। বিধেয়কখনত সমগ্ৰ দেশত বইলাৰৰ নিৰ্মাণ আৰু ব্যৱহাৰৰ পঞ্জীয়ন আৰু নিৰীক্ষণৰ বাবে একেধৰণৰ ব্যৱস্থা প্ৰৱৰ্তনৰ প্ৰস্তাৱ দিয়া হৈছে। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডকে ধৰি বইলাৰ যন্ত্ৰ ব্যৱহাৰ কৰা সকলো ক্ষেত্ৰ এই বিধেয়কখনৰ পৰা উপকৃত হ'ব। বিধেয়কখনত বইলাৰ যন্ত্ৰ ব্যৱহাৰ কৰা ব্যক্তিসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে ৭ টা অপৰাধৰ ভিতৰত ধন জন ক্ষতিৰ আশংকা থকা ৪ টা বৃহৎ

অপৰাধৰ বাবে শাস্তি প্ৰদানৰ ব্যৱস্থা অব্যাহত ৰখা হৈছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে আজি বিধেয়কখন উত্থাপন কৰে। ৰাজ্যসভাই যোৱা ডিচেম্বৰত বিধেয়কখন ইতিমধ্যে গ্ৰহণ কৰিছে।

ooooo

ভাৰত বিশ্বৰ সৰ্বাধিক দুগ্ধ উৎপাদনকাৰী আৰু পৰৱৰ্তী ৫ বছৰত দেশত দুগ্ধ উৎপাদন বৰ্তমানৰ ২৩ কোটি ৯০ লাখ মেট্ৰিকটনৰ পৰা ৩০ কোটি মেট্ৰিকটনলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি কেন্দ্ৰীয় পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে প্ৰকাশ কৰিছে। লোকসভাত আজি শ্ৰীসিঙে কয় যে ২০১৪ চনত ৰাষ্ট্ৰীয় গোকুল অভিযান আৰম্ভ কৰাৰ পাছৰে পৰা দেশত দুগ্ধ উৎপাদন ৬৩ দশমিক ৫ শতাংশ বৃদ্ধি পাইছে। তেওঁ লগতে পৰৱৰ্তী ৩ টা বছৰত দুগ্ধ উৎপাদন আৰু ১৫ শতাংশ বৃদ্ধি পাব বুলি আস্থা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, দেশত প্ৰায় ১০ কোটি লোক দুগ্ধ উৎপাদনৰ সৈতে জড়িত হৈ আছে আৰু ইয়াৰে ৭৫ শতাংশই মহিলা। দেশত প্ৰতিদিনে গাইপতি সেৱন কৰা গাখীৰৰ পৰিমাণ ৪৭১ গ্ৰাম বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

ৰাজ্যসভাত দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক ২০২৪ সন্দৰ্ভত আলোচনা চলি আছে। আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ নিৰজ দাংগিয়ে কয় যে বিধেয়কখনত প্ৰধানমন্ত্ৰী পৰিচৰ্যা পুজি আৰু ইয়াৰ ব্যৱহাৰ সম্পৰ্কে কোনো নিৰ্দিষ্ট দিয়া হোৱা নাই। শাসকীয় পক্ষৰ সাংসদসকলে চৰকাৰৰ কোৱিড ব্যৱস্থাপনা সন্দৰ্ভত দাংগিয়ে কৰা এই মন্তব্যৰ বিৰোধিতা কৰে।

বিজেপিৰ ব্ৰীজলালে কয় যে দুৰ্যোগ ব্যৱস্থাপনাৰ মূল দায়িত্ব ৰাজ্য চৰকাৰসমূহৰ। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে বিপৰ্যয়ৰ সময়ত ৰাজ্যসমূহলৈ সম্ভাৱ্য সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়ায়। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে ২০২৩ চনৰ ২৩ জুনত ১৯ খন ৰাজ্যলৈ ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনীৰ বেটেলিয়ন গঠনৰ বাবে ৬ হাজাৰ ১৯৪ কোটি টকা প্ৰদান কৰিছে। আলোচনাত ভাগ লৈ তৃণমূল কংগ্ৰেছৰ ঋতব্ৰত বেনাৰ্জীয়ে কেন্দ্ৰীয় চৰকাৰে বিৰোধী শাসিত ৰাজ্যসমূহৰ পুজি বন্ধ কৰি ৰখা বুলি অভিযোগ তোলে। এনে কৰাটো সংবিধানৰ আদৰ্শৰ পৰিপন্থী বুলিও তেওঁ মন্তব্য কৰে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিচ্ছিন্নতাবাদ এতিয়া কাশ্মীৰৰ বাবে অতীত বুলি মন্তব্য কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীশ্বাহে কেন্দ্ৰীয় চৰকাৰৰ একত্ৰীকৰণ নীতিসমূহে জম্মু আৰু কাশ্মীৰৰ বিচ্ছিন্নতাবাদী আন্দোলনসমূহক সফলতাৰে নিৰ্মূল কৰা বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে হুৰিয়তৰ সৈতে সম্পৰ্ক থকা দুটাকৈ সংগঠনে বিচ্ছিন্নতাবাদৰ পৰা আঁতৰি অহাৰ সিদ্ধান্ত ঘোষণা কৰা বুলি জানিবলৈ দিয়ে। এই সিদ্ধান্তক ৰাষ্ট্ৰীয় একতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ বুলি উল্লেখ কৰি শ্ৰীশ্বাহে তেনেধৰণৰ আন সংগঠনসমূহকো বিচ্ছিন্নতাবাদ ত্যাগ কৰিবলৈ আহ্বান জনায়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হবলগীয়া এখন খেলত গুজৰাট টাইটানছ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। গুজৰাট টাইটানছে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে।

ইফালে, কাইলৈ আৰু ৩০ মাৰ্চত গুৱাহাটীৰ বৰ্ষাপাৰাস্থিত অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট খেল দুখনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। কাইলৈ হ'বলগীয়া খেলখনৰ বাবে ৰাজস্থান ৰয়েলছ্ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ দল ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে।

ooooo

খেলো ইণ্ডিয়া পেৰা গেমছৰ আজি ষষ্ঠ দিনাও এথলীটসকলে তেওঁলোকৰ একনিষ্ঠ আৰু অনবদ্য প্ৰদৰ্শন অব্যাহত ৰাখিছে। নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত পাৰাৰ লিফটিং শিতানত এথলীটসকলে তীব্ৰ প্ৰতিদ্বন্দিতা আগবঢ়ায়।

মহিলাৰ এলীট শাখাৰ ৬৭ কিলোগ্ৰাম ওজনৰ শিতানত কস্তুৰিয়ে সোণৰ, মেঘা পাণ্ডে ৰূপৰ আৰু জীৱনীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। পুৰুষৰ এলীট শাখাৰ ৮০- কিলোগ্ৰাম ওজনৰ শিতানত সন্দেশা বিজিয়ে সোণৰ, মুৰুগনে ৰূপৰ আৰু জয়দীপে ব্ৰঞ্জৰ পদক দখল কৰে।

ড০ কৰ্নি সিং শ্বুটিং ৰেঞ্জত অনুষ্ঠিত মিক্সড ৫০ মিটাৰ পিষ্টল এছ্ এইচ শিতানত আকাশে সোণৰ, সঞ্জীৱ কুমাৰে ৰূপৰ আৰু ৰুদ্ৰাংশে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

ooooo

**ঃঃ সমাপ্ত ঃঃ**